# 2020

## ASSAMESE

( Major )

Paper : 6.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) মাত্ৰাই কিহৰ উচ্চাৰণকালক বুজায়?

(খ) আটাইতকৈ দীঘল ছন্দসজ্জাটোৰ নাম কি?

(গ) যুদ্ধ আদিৰ বৰ্ণনাত সাধাৰণতে কি ছন্দ ব্যৱহাৰ কৰা হয়?

(ঘ) দুলড়ী আৰু ছবি ছন্দৰ ভিতৰত কোনবিধ ছন্দত অক্ষৰ সংখ্যা কম?

(ঙ) অৰ্থৰ ওপৰত নিৰ্ভৰশীল অলংকাৰক কি অলংকাৰ বোলে?

(চ) "হিমগিৰি কন্যা পাৰ্বতীয়ে হিমবৰণ শিৰক পতিৰূপে বৰণ কৰিলে?" ইয়াত কি অলঙ্কাৰ প্ৰয়োগ হৈছে?

(ছ) 'অলংকাৰশাস্ত্ৰ'ৰ প্ৰৱক্তা কোন?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) যতি কাক বোলে?

(খ) অলংকাৰৰ মূল কি কি?

(গ) সাদৃশ্যগৰ্ভ অলংকাৰৰ যি কোনো দুটা অংগৰ নাম উল্লেখ কৰা।

(ঘ) অনুপ্ৰাস শব্দ কেনেকৈ সাধিত হৈছে?

৩। যি কোনো তিনিটাৰ চমু টোকা লিখা : ৫×৩=১৫

চৰণ, অক্ষৰ, যমক, ভ্ৰান্তিমান, লেচাৰি, ঝুনা।

৪। (ক) "অলংকাৰৰ মুখ্য প্ৰয়োজন ৰমণীয়তা সম্পাদন।" এই উক্তিক মুখ্য কৰি কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) দ্বিপদী ছন্দৰীতি বুলিলে কি বুজা? যি কোনো দুটা দ্বিপদী ছন্দৰ উদাহৰণসহ সূত্ৰ লিখা।

৫। (ক) অসমীয়া ছন্দৰ ত্ৰিধাৰা সম্পৰ্কে এটি টোকা যুগুত কৰা। ১০

*অথবা*

(খ) অলংকাৰৰ প্ৰকাৰভেদ সম্পৰ্কে বহলাই আলোচনা কৰা।

৬। (ক) যতিয়ে কেনেদৰে ছন্দৰ প্ৰকাৰভেদ নিৰ্ধাৰণ কৰে, উদাহৰণসহ বুজাই লিখা। ১০

অথবা

(খ) উপমা আৰু ৰূপক অলংকাৰৰ মাজত থকা পাৰ্থক্যবোৰ উদাহৰণসহ দেখুৱাই দিয়া।

★★★